बैंक ऑफ़ बड़ौदा
Bank of Baroda
India's International Bank

## কলকতা অঞ্চল, কলকাতা

## চতুৰ্থবৰ্গৰ কৰ্মচাৰী নিযুক্তি জাননী-২০১৬

বেঙ্ক অব বৰোডা, আঞ্চলিক কাৰ্য্যালয়, কলকাতা অঞ্চল, কলকাতা, বৰোডা টাৱাৰ, প্লট নং-৩৮/২, ব্লক-জি.এন, চেক্টৰ-৫, চল্ট লেক চিটি, কলকাতা-৭০০০৯১-ই নিম্ন উল্লেখিত তালিকা অনুযায়ী **চতুৰ্থ বৰ্গৰ বিভিন্ন পদৰ** বাবে ইচ্ছুক প্ৰাৰ্থীৰ পৰা আবেদন-পত্ৰ বিচাৰিছে।

| ৰাজ্য | জিলা # | পদ | খালী পদৰ সংখ্যা | এছ চি | এছ টি | অবিচি | ইউ আৰ* | ইয়াৰ ভিতৰত | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | | | | | | ওএইছ | ভিআই | এইচ আই | ই এক্স এছ |
| অসম | # | চাফাই কৰ্মী তথা পিয়ন | ১৫ | ১ | ০ | ৪ | ১০ | ০ | ১ | ০ | ৩ |
| অসম | # | পিয়ন | ১ | ০ | ০ | ০ | ১ | ০ | ০ | ০ | ০ |
| মেঘালয় | # | চাফাই কৰ্মী তথা পিয়ন | ২ | ০ | ০ | ০ | ২ | ০ | ০ | ০ | ০ |
| মেঘালয় | # | পিয়ন | ১ | ০ | ১ | ০ | ০ | ০ | ০ | ০ | ০ |
| মণিপুৰ | # | চাফাই কৰ্মী তথা পিয়ন | ৩ | ০ | ১ | ০ | ২ | ০ | ০ | ০ | ০ |
| নাগালেণ্ড | # | চাফাই কৰ্মী তথা পিয়ন | ৪ | ০ | ২ | ০ | ২ | ০ | ০ | ০ | ১ |
| মিজোৰাম | # | চাফাই কৰ্মী তথা পিয়ন | ২ | ০ | ০ | ০ | ২ | ০ | ০ | ০ | ০ |

**সংৰক্ষিত পদ সমূহৰ সম্পূৰ্ণ বিৱৰণ**— এছ চি- অনুসূচিত জাতি, এছ টি- অনুসূচিত জনজাতি, অবিচি- অন্যান্য পিছপৰা শ্ৰেণী, ইউ আৰ- অসংৰক্ষিত, ও এইচ- শাৰীৰিকভাৱে অক্ষম, ভি আই- দৃষ্টিহীন, এইচ আই- বধিৰ, ই এক্স এছ- প্ৰাক্তন সামৰিক কৰ্মী।

# **খালী পদ থকা জিলাসমূহ হৈছে ঃ অসম ঃ**- কামৰূপ, কামৰূপ মেট্ৰ, বৰপেটা, যোৰহাট, কাছাৰ, দৰং, ডিমা হাচাও, গোলাঘাট, কোকৰাঝাৰ, নলবাৰী, শোণিতপুৰ, বঙাইগাঁও। **মেঘালয় ঃ**- পূৰ খাচী পাহাৰ। **মণিপুৰ ঃ**-ইম্ফল (পূৰ) আৰু ইম্ফল (পশ্চিম)। **নাগালেণ্ড ঃ**- মোককচাঙ, ডিমাপুৰ, কোহিমা। **মিজোৰাম ঃ**- আইজাল।

নিৰ্বাচিত প্ৰাৰ্থীসকলক বেঙ্কৰ প্ৰয়োজন অনুযায়ী যিকোনো জিলাত নিযুক্তি দিয়া হ'ব পাৰে।

* অনুসূচিত জাতি / অনুসূচিত জনজাতি / অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰাৰ্থীসকলে তেখেতসকলৰ বাবে সংৰক্ষিত পদৰ উপৰিও অসংৰক্ষিত পদসমূহতো আবেদন কৰিব পাৰিব। কিন্তু এই ক্ষেত্ৰত অসংৰক্ষিত পদসমূহৰ বাবে থকা নিয়মাৱলী তেওঁলোকৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব। সংৰক্ষণ সমূহৰ ক্ষেত্ৰত চৰকাৰী নিয়মাৱলী প্ৰযোজ্য হ'ব।

**অৰ্হতা ঃ-**

**বয়স ঃ-**

অহা ১৬ ডিচেম্বৰ, ২০১৬ ত আবেদনকাৰীৰ বয়সৰ নিম্নসীমা ১৮ বছৰ আৰু উচ্চসীমা ২৬ বছৰৰ বেছি হ'ব নোৱাৰিব। চৰকাৰী নিয়ম অনুযায়ী অনুসূচিত জাতি / অনুসূচিত জনজাতি / অন্যান্য পিছপৰা শ্ৰেণী / শাৰীৰিকভাৱে অহ্লম / দৃষ্টিহীন / বধিৰ / প্ৰাক্তন সামৰিক কৰ্মী প্ৰাৰ্থীৰ হ্লেত্ৰত তলত দিয়া অনুযায়ী বয়সৰ উচ্চসীমা ৰেহাইৰ ব্যৱস্থা থাকিব।

**বয়সৰ উচ্চসীমা ৰেহাই ঃ-**

| ক্র. নং | শ্ৰেণীবিভাগ | বয়সৰ উচ্চসীমা ৰেহাই |
|---|---|---|
| ১। | সাধাৰণ (অসংৰহ্লিত) | নাই |
| ২। | অনুসূচিত জাতি / অনুসূচিত জনজাতি | ৫ বছৰ |
| ৩। | অন্যান্য পিছপৰা শ্ৰেণী (নন-ক্ৰিমি-লেয়াৰ) | ৩ বছৰ |
| ৪। | শাৰীৰিকভাৱে বিভিন্ন অহ্লম প্ৰাৰ্থী (পি ডব্লিউ ডি) | ১০ বছৰ |
| ৫। | বিধৱা, বিবাহ বিচ্ছেদিত মহিলা আৰু<br>আইনী প্ৰক্ৰিয়াৰে স্বামীৰ পৰা আঁতৰি অহা মহিলা<br>যিসকলে পুনৰ বিবাহপাশত আৱদ্ধ হোৱা নাই | ৯ বছৰ |
| ৬। | প্ৰাক্তন সামৰিক কৰ্মী / শাৰীৰিকভাৱে অহ্লম প্ৰাক্তন সামৰিক কৰ্মী | সেনাবাহিনীত সেৱা যচা আচল সময় □<br>৩ বছৰ (অনুসূচিত জাতি / জনজাতি<br>/ প্ৰাক্তন সামৰিক কৰ্মীৰ হ্লেত্ৰত ৮ বছৰ।<br>যদিও বয়সৰ উচ্চসীমা ৫০ বছৰ। |
| ৭। | ১-১-১৯৮০ ৰ পৰা ৩১-১২-১৯৮৯ ৰ ভিতৰত জন্মু-কাশ্মীৰৰ<br>বাসিন্দাসকলৰ হ্লেত্ৰত | ৫ বছৰ |
| ৮। | ১৯৮৪ চনৰ ৰায়তত হ্লতিগ্ৰস্থ | ৫ বছৰ |
| ৯। | ইউনিয়ন কাৰ্বাইড ফেক্টৰী, ভূপালৰ চাকৰি হেৰুৱা<br>নিয়মীয়া কৰ্মচাৰী (অকল মধ্যপ্ৰদেশ ৰাজ্যৰ হ্লেত্ৰতহে প্ৰযোজ্য) | ৫ বছৰ |

টোকা ঃ ক) বয়সৰ উৰ্দ্ধসীমাৰ হ্লেত্ৰত এই ৰেহাই অনুসূচিত জাতি / অনুসূচিত জনজাতি / অন্যান্য পিছপৰা শ্ৰেণীৰ হ্লেত্ৰত কেৱল মাত্ৰ এটা পদৰ বাবেহে এই সুবিধা গ্ৰহণ কৰিব পাৰিব।

খ) বয়সৰ উৰ্দ্ধসীমা সাধাৰণ প্ৰাৰ্থীৰ হ্লেত্ৰত ২৬ বছৰ হ'ব।

**শিহ্লাগত অৰ্হতা ঃ-**

ক) প্ৰাৰ্থীসকল দশম শ্ৰেণী বা তাৰ সমপৰ্যায়ৰ পৰীহ্লাত উত্তীৰ্ণ হ'ব লাগিব।

খ) প্ৰাৰ্থীসকলে স্থানীয় ভাষা পঢ়িব-লিখিব পৰাৰ উপৰিও ইংৰাজী ভাষাৰ জ্ঞান থকা প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হ'ব।

**আবেদন মাচুল ঃ-**

আবেদন মাচুল (অনলাইন / অফলাইন প্ৰেৰণ) তলত দিয়া ধৰণৰ ঃ-

— ১০০.০০ টকা অনুসূচিত জাতি / অনুসূচিত জনজাতি / শাৰীৰিকভাৱে বিভিন্ন অহ্লম প্ৰাৰ্থী (পি ডব্লিউ ডি) / অৱসৰপ্ৰাপ্ত সামৰিক কৰ্মচাৰী

— ৪০০.০০ টকা অন্যান্য প্ৰাৰ্থীৰ বাবে।

**মাচুল জমা কৰাৰ প্ৰক্ৰিয়া ঃ-**

১। অন লাইন প্ৰক্ৰিয়া (ক্ৰেডিট কাৰ্ড, ডেবিট কাৰ্ড আৰু নেট বেংকিং)

অনলাইন আবেদন পত্ৰ পূৰণৰ বাবদ বেঙ্ক ট্ৰেনজেকচনৰ বাবে ভৰিবলগীয়া মাচুল প্ৰাৰ্থীয়ে বহন কৰিব লাগিব।

২। অফলাইন প্ৰক্ৰিয়া (বেঙ্ক অৱ বৰোডাৰ চালান)- অনলাইন যোগে প্ৰ-পত্ৰ পূৰণৰ পিছত এখন পে-ইন-শ্লি-প /ভাউচাৰ /চালান ওলাব আবেদন মাচুল প্ৰদানৰ বাবে (বেঙ্ক অৱ বৰোডাৰ চালান)। কেৱল এই 'পে-ইন-শ্লি-প'খন ব্যৱহাৰ কৰি আবেদনকাৰীয়ে প্ৰয়োজনীয় মাচুল নিৰ্দিষ্ট বেঙ্ক একাউণ্টত জমা দিব লাগিব। প্ৰাৰ্থীয়ে ওচৰত থকা বেংক অৱ বৰোডাৰ শাখালৈ গৈ এই স্বয়ংক্ৰিয়ভাৱে ওলোৱা 'পে-ইন-শ্লি-প'ৰ দ্বাৰা প্ৰয়োজনীয় মাচুল জমা কৰিব লাগিব।

| | |
|---|---|
| অনলাইন আবেদনৰ পঞ্জীয়ন আৰম্ভ হ'ব<br>২৬ নৱেম্বৰ, ২০১৬ ৰ পৰা | অনলাইন আবেদন পঞ্জীয়নৰ শেষ তাৰিখ<br>১৬ ডিচেম্বৰ, ২০১৬ |
| মাচুল জমা অনলাইন / অফলাইন | ২৬-১১-২০১৬ পৰা ১৬-১২-২০১৬ লৈ |

**দৰ্মহা আৰু ভাট্টা ঃ-**

৯৫৬০.০০ টকাৰ পৰা ১৮৫৪৫.০০ টকালৈ □ মৰগীয়া বানচ □ গৃহ ভাড়া বানচ □ আৰু অন্যান ভাট্টা

**বাছনি প্ৰক্ৰিয়া ঃ-**

মেধা ভিত্তিত আয়োজিত অনলাইন / অফলাইন পৰীহ্লাৰ ওপৰত ভিত্তি কৰি নিযুক্তি প্ৰদান কৰা হ'ব।

চাফাই কৰ্মী তথা চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ পদৰ বাবে অনলাইন / অফলাইন যোগে অনুষ্ঠিত হ'বলগীয়া পৰীহ্লাৰ গাঠনি তলত দিয়া ধৰণৰ ঃ-

চাফাই কৰ্মী তথা চতুৰ্থ বৰ্গৰ কৰ্মচাৰী নিযুক্তিৰ বাবে অনলাইন / অফলাইন অনুষ্ঠিত হ'বলগীয়া পাঠ্যৰ তালিকা হ'ল ঃ-

| **ক্ৰ নং** | **বিষয়** | **মুঠ নম্বৰ** | **উৰ্ত্তীনৰ বাবে নিম্নতম নম্বৰ** | **মুঠ সময়** |
|---|---|---|---|---|
| ১। | স্থানীয় ভাষাৰ জ্ঞান | ৩০ | ১২ | ২ ঘণ্টা |
| ২। | ইংৰাজী ভাষাৰ জ্ঞান | ১০ | ৪ | |
| ৩। | সাধাৰণ জ্ঞান আৰু বেংকিং | ২০ | ৮ | |
| ৪। | প্ৰাথমিক গণিত / সংখ্যা সম্পৰ্কীয় জ্ঞান | ২০ | ৮ | |
| ৫। | চাইকমেট্ৰিক পৰীহ্লা | ২০ | ৮ | |
| | মুঠ | ১০০ | ৪০ | |

অনুসূচীত জাতি, অনুসূচীত জনজাতি প্ৰাৰ্থীৰ হ্লেত্ৰত চৰকাৰী নিয়ম অনুযায়ী ৫ শতাংশ ৰেহাইৰ ব্যৱস্থা থাকিব।

ইংৰাজী ভাষাৰ জ্ঞান পৰীহ্লাৰ বাহিৰে অন্যান্য পৰীহ্লাসমূহ দ্বিভাষিক অৰ্থাৎ ইংৰাজী আৰু হিন্দী অথবা স্থানীয় ভাষাত পৰীহ্লাৰ্থীসকলে অৱতীৰ্ণ হ'ব পাৰিব।

পৰীহ্লাৰ গাঠনি সালসলনিৰ হ্লেত্ৰত বেঙ্ক কৰ্তৃপহ্লৰ অধিকাৰ থাকিব যিটো বেঙ্কৰ ৱেব চাইটৰ জৰিয়তে প্ৰাৰ্থীসকলক অৱগত কৰোৱা হ'ব। পৰীহ্লা সম্পৰ্কীয় জানিবলীয়া অন্যান্য বিষয়সমূহ প্ৰাৰ্থীসকললৈ পঠাবলগীয়া 'কল লেটাৰ'ৰ লগত সংলগ্নিত 'হাতপুথি'ত উপলব্ধ হ'ব। এই সংক্ৰান্তত প্ৰাৰ্থীয়ে বেঙ্কৰ ৱেব চাইটৰ পৰাও তথ্যসমূহ ডাউনলোড কৰিব পাৰিব।

**অঙ্গীকাৰ ঃ**

পৰীহ্লাৰ্থীসকলে জমা দিয়া নথি-পত্ৰ তথা অন্যান্য বিষয়ত মিছাৰ আশ্ৰয় লোৱা বা ভুৱা তথ্য দাখিল কৰা বুলি প্ৰমাণিত হ'লে যিকোনো সময়তে সেই প্ৰাৰ্থীগৰাকীক নিযুক্তি প্ৰক্ৰিয়াৰ পৰা বহিষ্কাৰ কৰা হ'ব আৰু তেওঁ বা তাইক আগলৈয়ো বেঙ্কৰ কোনো পৰীহ্লাতে অংশগ্ৰহণ কৰিবলৈ অনুমতি প্ৰদান কৰা নহ'ব। ইয়াৰ উপৰিও পৰৱৰ্তী সময়ত এই নিযুক্তি প্ৰক্ৰিয়াত প্ৰাৰ্থীয়ে যদি কোনো ভুৱা তথ্য দাখিল কৰা বুলি প্ৰমাণিত হয় বেংকে তৎকালীনভাৱে সেই প্ৰাৰ্থী বাছনি /নিযুক্তি বাতিল কৰিব পাৰিব। বেংক কৰ্তৃপহ্লৰ যিকোনো সময়তে এই নিযুক্তি প্ৰক্ৰিয়া কোনো কাৰণ নদৰ্শোৱাকৈয়ে বাতিল কৰাৰ অধিকাৰ থাকিব।

এইবাছনি /নিযুক্তি সম্পৰ্কীয় সকলো সিদ্ধান্ত বেঙ্ক কৰ্তৃপহ্লই গ্ৰহণ কৰা অনুসৰি চূড়ান্ত আৰু ইয়াক আবেদনকাৰী প্ৰাৰ্থীয়ে মানি লোৱাটো বাধ্যতামূলক।